**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-01-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকী উপলক্ষে কোকৰাঝাৰত আয়োজিত অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বিশ্ববিদ্যালয়লৈ উন্নীত কোকৰাঝাৰ মহাবিদ্যালয়ৰ নতুন প্ৰশাসনিক ভৱনৰ আধাৰশিলা স্থাপন কৰে। এই নতুন বিশ্ববিদ্যালয়খনত কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিকছ্ আদিৰ দৰে অত্যাধুনিক পাঠ্যক্ৰম অন্তৰ্ভুক্তিৰ জৰিয়তে উৎকৃষ্টতাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে। কোকৰাঝাৰ মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীত কৰি সকলো আন্তঃগাঁথনিৰে পৰিপূৰ্ণ কৰি তুলিবলৈ ৰাজ্য চৰকাৰে ৫০ কোটি টকা ঘোষণা কৰিছে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে হৰিণাগুৰিত নতুনকৈ নিৰ্মাণ কৰা বি টি চি ৰ কাৰ্যবাহী সদস্য আৰু পাৰিষদসকলৰ আবাসিক চৌহদো আনুষ্ঠানিকভাৱে মুকলি কৰে। ১০০ কোটি টকা ব্যয় সাপেক্ষে এই আবাসিক চৌহদটো নিৰ্মাণ কৰা হৈছে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে বড়োসকলৰ সমৃদ্ধ ইতিহাস আৰু বৰ্ণিল লোক জীৱনে আমাৰ ইতিহাসক গৰিমামণ্ডিত কৰি ৰাখিছে। বড়ো লোকসকলৰ উন্নয়নৰ বাবে বিটিআৰ চৰকাৰৰ লগতে ৰাজ্য চৰকাৰে পাৰ্যমানে সহায়-সহযোগ আগবঢ়াই আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়, যে এই খণ্ডত বিভিন্ন চৰকাৰী আঁচনি ৰূপায়ণৰ জৰিয়তে পথ, যোগাযোগ, শিক্ষা, স্বাস্থ্য আদিকে ধৰি অন্যান্য খণ্ডত ভালেখিনি উন্নয়ন সাধন কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে আজি বিটিআৰত বাথৌ পূজা উপলক্ষে সমূহীয়া প্ৰাৰ্থনাত অংশগ্ৰহণ কৰি বিটিআৰবাসীৰ শান্তি আৰু মংগলৰ বাবে প্ৰাৰ্থনা জনায়।

oooooo

পথৰুঘাটৰ কৃষক ছহিদসকলৰ সোঁৱৰণত দৰঙত তিনিদিনীয়াকৈ অনুষ্ঠিত ১৩১ সংখ্যক কৃষক ছহিদ দিৱসৰ আজি অন্তিম দিনা কৃষক বিদ্ৰোহৰ স্মৃতি সুঁৱৰি এটা বিশেষ ডাক টিকট মুকলি কৰা হয়। দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই আজিৰ মুকলি অধিৱেশন এই ডাক টিকট মুকলি কৰে। অনুষ্ঠানৰ অংশ হিচাপে সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হয়। পুৱাৰ ভাগত কৃষক ছহিদ সমাধিত শ্ৰদ্ধাঞ্জলি, ছহিদ তৰ্পণ আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়। অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা, বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। গুৱাহাটীৰ আমবাৰীতো আজি অসম কৃষক পৰিষদৰ মুখ্য কাৰ্যালয়ত কৃষক ছহিদ দিৱস পালন কৰা হয়। অনুষ্ঠানত অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই অংশগ্ৰহণ কৰি পথৰুঘাটৰ বিদ্ৰোহত প্ৰাণ আহুতি দিয়া ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

oooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বড়ো-কছাৰী জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগত ৰীতি-নীতিৰে বাথৌ পূজা পালন কৰিছে। বড়ো-কছাৰী জনগোষ্ঠীৰ ঘাই দেৱতা বাথৌৰ আৰাধনাৰ বাবে বছৰত দুবাৰকৈ এই পূজাৰ আয়োজন কৰা হয়। এই পূজাত সিজু আৰু তুলসী গছৰ দুটা ডাল একেলগ কৰি তাৰে বাথৌ বেদী সাজি পূজা কৰা হয়। পূজাত দেওধনী আৰু খেৰাই নৃত্য পৰিৱেশন কৰা হয়। এই পূজাৰ সৈতে বিভিন্ন লোকবিশ্বাস আৰু পৰম্পৰা জড়িত হৈ আছে। জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহৰ ভিতৰত আয়োজিত এই পূজা সাধাৰণতে মাঘৰ দ্বিতীয়টো মঙলবাৰে কৰা

হয়। সদৌ বাথৌ মহাসভাৰ কোকৰাঝাৰ জিলা সমিতিয়ে কোকৰাঝাৰ নগৰৰ বাগানশালীত থকা থানশালীত এই পূজাৰ আয়োজন কৰে। বাথৌ দেৱতাক পূজা-অৰ্চনা কৰাৰ বাবে আজি পুৱাৰে পৰা অঞ্চলটোত অগণন লোকৰ সমাগম হয়।

বাক্সা জিলাৰ বিভিন্ন অঞ্চলতো আজি বাথৌ পূজাৰ আয়োজন কৰা হয়। শোণিতপুৰ জিলাৰ ঘোঁৰামাৰি খেলপথাৰত ঘোঁৰামাৰি আঞ্চলিক বাথৌ সন্থাই দিনজোৰা কাৰ্যসূচীৰে বাথৌ পূজা আয়োজন কৰে। এই পূজাত বড়ো সাহিত্য সভাৰ উপ-সভাপতি প্ৰশান্ত বৰ, ৰঙাপাৰা সমষ্টিৰ বিধায়ক কৃষ্ণ কমল তাঁতীকে ধৰি বহুকেইগৰাকী ব্যক্তি উপস্থিত থাকে।

০০০০০০০

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ ভূমি পূজন কাৰ্যসূচী অনুষ্ঠিত হয়। গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত এই কাৰ্যসূচীত মুখ্য সচিব ড° ৰবি কোটা, অসম ঔদ্যোগিক উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক মানবেন্দ্ৰ প্ৰতাপ সিঙকে ধৰি বহুকেইগৰাকী শীৰ্ষ বিষয়া উপস্থিত থাকে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলগীয়া বাণিজ্য প্ৰতিনিধি আৰু দেশৰ শীৰ্ষ স্থানীয় উদ্যোগপতি সকলক আতিথ্যৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। এই শীৰ্ষ সন্মিলনৰ জৰিয়তে ৰাজ্যৰ সামগ্ৰিক উন্নয়ন আৰু আন্তঃৰাষ্ট্ৰীয় বিনিয়োগৰ ক্ষেত্ৰত নতুন অধ্যায়ৰ সূচনা হোৱাৰ লগতে অৰ্থনৈতিক সম্ভাৱনা বৃদ্ধি কৰি উদ্যমী যুৱ সমাজৰ বাবে নতুন পথ প্ৰশস্ত হ'ব বুলি আশা কৰা হৈছে।

০০০০০০

ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ কয়লাখনিত কেইবাজনো শ্ৰমিকৰ মৃত্যু হোৱাৰ ঘটনাক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে এটা নিজাববীয়া ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ ৰুজু কৰিছে। এই গোচৰটোৰ ভিত্তিত আজি শুনানি লৈ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই আৰু ন্যায়াধীশ কৌশিক গোস্বামীৰ খণ্ড বিচাৰপীঠে ৰাজ্যত এন্দুৰৰ গাঁত সদৃশ খনন বন্ধ কৰাৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰিছে, সেই সন্দৰ্ভত ৰাজ্য চৰকাৰক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। শুনানি কালত মহাধিবক্তা দেৱজিৎ শইকীয়াই উমৰাংছ'ৰ কয়লাখনিত সংঘটিত ঘটনাৰ তদন্তৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাৰ নেতৃত্বত এজনীয়া আয়োগ গঠনকে ধৰি চৰকাৰে গ্ৰহণ কৰা অন্যান্য পদক্ষেপসমূহ ন্যায়ালয়ক অৱগত কৰে। ইয়াৰ পাছতে ন্যায়ালয়ত অহা ৭ ফেব্ৰুৱাৰীত গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰে। সেইদিনা চৰকাৰে এনেধৰণৰ খনন বন্ধ কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহ সন্দৰ্ভত ন্যায়ালয়ত প্ৰতিবেদন দাখিল কৰিব লাগিব।

০০০০০০০

**সমাপ্ত**